**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-01-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসম আৰক্ষীৰ বিদায়ী সঞ্চালক প্ৰধান জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধানৰ দায়িত্বভাৰ গ্ৰহণৰ পূৰ্বে কালি আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়। শ্ৰী আচাৰ্যই সঞ্চালকপ্ৰধানগৰাকীক নতুন দায়িত্ব নিৰ্বাহৰ পূৰ্বে অভিনন্দন জ্ঞাপন কৰে। এই উপলক্ষে ৰাজভৱনত আয়োজিত অনুষ্ঠানত কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও আজি শ্ৰী সিঙক তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি বিদায় সম্ভাষণ জনায়। মুখ্যমন্ত্ৰীয়ে তেওঁক ভৱিষ্যত কৰ্মজীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

oooooooo

বজালী জিলাৰ পাঠশালাত পৰহিলৈৰ পৰা হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বজালীৰ ভট্টদেৱ ক্ষেত্ৰত পাঁচদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। এই অধিৱেশনত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকি ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পাঠশালাত সাহিত্য সভাৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে বিভাগীয় মন্ত্ৰী-বিধায়ক আৰু সংশ্লিষ্টসকলক অধিৱেশনলৈ গৈ গ্ৰন্থ ক্ৰয় কৰাৰ বাবে আহ্বান জনায়।

oooooooo

অসম আৰক্ষীয়ে যোৱানিশা বিশেষ অভিযান চলাই প্ৰায় ৩ কোটি টকা মূল্যৰ মাদকদ্ৰব্য জব্দ কৰে। কাৰ্বি আংলং আৰক্ষীয়ে বোকাজানৰ অমৰাজানত এখন বাহনৰ পৰা ৭৪৫ গ্ৰাম হেৰ'ইন জব্দ কৰে আৰু এই সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা হেৰ'ইনখিনিৰ মূল্য প্ৰায় ২ কোটি হ'ব বুলি অনুমান কৰা হৈছে। ইপিনে, নগাঁও আৰক্ষীয়ে যোৱানিশা বৰঘাট বাইপাছত এখন বাহন ৰখাই বাহনখনৰ পৰা ১৯ হাজাৰৰো অধিক ডাইক্ল'মাইন হাইড্ৰ'ক্লৰাইড কেপচুল জব্দ কৰে। এই কেপচুলখিনিৰ মূল্য ১ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত তিনিজন লোকক আটক কৰিছে।

oooooooo

সাপ আৰু মানুহৰ সহাৱস্থান, নীতিগতভাৱে সাপ উদ্ধাৰ আৰু সৰ্পদংশন প্ৰতিৰোধী দক্ষতা বৃদ্ধিৰ উদ্দেশ্যেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত কঁহৰাত অনুষ্ঠিত দুদিনীয়া কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত কাজিৰঙা, নগাঁও, বিশ্বনাথ, শিৱসাগৰ, গোলাঘাট, ডিব্ৰুগড় আৰু তিনিচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী প্ৰকৃতিপ্ৰেমী আৰু বন বিষয়াই অংশগ্ৰহণ কৰে। দা মাদ্ৰাছ ক্ৰক'ডাইল বেংক ট্ৰাষ্টৰ বিশেষজ্ঞ ড° জ্ঞানেশ্বৰ শ্বই সৰ্প উদ্ধাৰৰ উন্নত কৌশল, সৰ্প দংশনৰ ফলপ্ৰসু প্ৰাথমিক চিকিৎসা, মানুহ আৰু সাপৰ সহৱস্থানৰ সংযোগী কৌশল আৰু সাপ সংৰক্ষণ তথা পুনৰবাসনৰ কৌশলসমূহ সন্দৰ্ভত প্ৰশিক্ষণ আগবঢ়ায়। কাৰ্যসূচীত সাপ

উদ্ধাৰকাৰী কিট বিতৰণ কৰাৰ লগতে উদ্ধাৰকাৰীসকলক দক্ষতাৰ কাৰণে প্ৰয়োজনীয় সকলো সুবিধা আগবঢ়োৱাৰ নিশ্চয়তা প্ৰদান কৰা হয়।

০০০০০০০

দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ খাৰুপেটীয়া মহাবিদ্যালয় প্ৰাংগণত মহাবিদ্যালয়খনৰ মহিলা কোষ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত কালি এখন কৰ্কট ৰোগ সজাগতা সভা অনুষ্ঠিত হয়। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ পৃষ্ঠপোষকতাত আয়োজিত সজাগতা সভাত দৰং কৰ্কট কেন্দ্ৰৰ তৰফৰ পৰা চিকিৎসক চহিদুল ইছলামে বিভিন্নধৰণৰ কৰ্কট ৰোগৰ বিষয়ে জনসাধাৰণক অৱগত কৰে। চিকিৎসকগৰাকীয়ে দৰং জিলাত এই ৰোগৰ বাবে উপলব্ধ চিকিৎসা সেৱাৰ বিষয়ে উপস্থিত জনসাধাৰণক জানিবলৈ দিয়ে। আয়ুস্মান কাৰ্ডৰ পৰা কৰ্কট ৰোগীয়ে লাভ কৰিব পৰা সুবিধাসমূহৰ বিষয়েও সভাখনত অৱগত কৰা হয়। সভাত মহিলাসকলৰ স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ সজাগতাৰ বিষয়ে বিশেষ গুৰুত্ব প্ৰদান কৰি ৪০ বছৰ বয়সৰ উৰ্ধৰ মহিলাসকলক এই সন্দৰ্ভত সচেতন হ'বলৈ আহ্বান জনোৱা হয়। উল্লেখযোগ্য যে দৰং কেঞ্চাৰ কেন্দ্ৰত এই ৰোগৰ ৰেডিয়েচন, কেম'থেৰাপি আৰু অন্যান্য আনুসংগিক চিকিৎসা সুবিধাসমূহ কম খৰচত উপলব্ধ বুলিও সজাগতা সভাখনত জানিবলৈ দিয়া হয়।

০০০০০০০

গুৱাহাটী ক্ৰীড়া সন্থা আৰু ক্ৰীড়া সঞ্চালকালয়ৰ উদ্যোগত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাখন আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাসমূহত অনুষ্ঠিত হ'ব। আজি  গুৱাহাটীৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ খেলপথাৰত এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উদ্বোধনী খেলখনত এফ চি গ্ৰীণ ভেলী অসম পুলিচৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে চলিত বৰ্ষৰপৰা এই ফুটবল প্ৰতিযোগিতাখন নতুন আৰ্হিত  আৰম্ভ কৰা হৈছে। প্ৰথমে সৰ্বমুঠ ৩৫ খন জিলাক সামৰি জিলা পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হোৱাৰ পাছত ছটা ক্লাষ্টাৰত পৰৱৰ্তী খেলসমূহ অনুষ্ঠিত হ'ব। নগাঁও জিলাৰ খেলসমূহ জুৰীয়া বজাৰৰ ওচৰৰ খেলপথাৰত অনুষ্ঠিত হ'ব। উদ্বোধনী খেলত অম্লান গোষ্ঠী আৰু নগাঁও টাউন ক্লাব অৱতীৰ্ণ হ'ব। একেদৰে বজালীৰ চৌখুটি, বান্দৰদেৱাৰ হাৰমতি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আৰু হাইলাকান্দিৰ নেতাজী সুভাষ চন্দ্ৰ বসু ষ্টেডিয়ামত জিলাভিত্তিক উদ্বোধনী খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত